**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-OCT-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

পবিতৰা অভয়াৰণ্য কাইলৈ পুনৰ পৰ্যটকৰ বাবে মুকলি কৰা হ'ব। বাৰিষাৰ বাবে বন্ধ হৈ থকা অভয়াৰণ্যখনত বানৰ ফলত হোৱা আন্তঃগাঁথনিৰ ক্ষতি ইতিমধ্যে মেৰামতি কৰা হৈছে বুলি অভয়াৰণ্যখনৰ মাণ্ডলিক বিষয়া প্ৰাঞ্জল বৰুৱাই প্ৰকাশ কৰিছে। তেওঁ কয় যে অভয়াৰণ্যখন মুকলি কৰাৰ লগে লগে পৰ্যটকসকলে জীপ আৰু হাতী চাফাৰি কৰিব পাৰিব। উল্লেখযোগ্য যে ১৯৯৮ চনত পবিতৰা সংৰক্ষিত বনাঞ্চল আৰু ৰজামায়ং পাহাৰ সংৰক্ষিত বনাঞ্চলৰ একত্ৰীকৰণ কৰি পবিতৰা অভয়াৰণ্যখন গঠন কৰা হৈছিল। বিশ্বৰ ভিতৰত কম আয়তনত সৰ্বাধিক গঁড় থকা অভয়াৰণ্যখনৰ দ্বাৰ বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আনুষ্ঠানিকভাৱে মুকলি কৰিব। উল্লেখযোগ্য যে ১১০টা গঁড় থকা অভয়াৰণ্যখনত শীতৰ আগমনৰ লগে লগে দেশী-বিদেশী বহু পৰিভ্ৰমী চৰায়ে বাহ লোৱা বুলি কৰ্তৃপক্ষই জানিবলৈ দিছে। উদ্যানখনত ২০২২ চনত কৰা পিয়ল অনুসৰি ২২টা প্ৰজাতিৰ স্তন্যপায়ী প্ৰাণী, ২৭টা প্ৰজাতিৰ সৰীসৃপ, ৯টা উভচৰ প্ৰজাতিৰ প্ৰাণী, ৪১বিধ মাছ আৰু ৩৭৫টা প্ৰজাতিৰ চৰাই আছে। গঁড়ৰ উপৰি অভয়াৰণ্যখনৰ ঘাঁহনি, অৰণ্য আৰু জলাশয়ত নাহৰ ফুটুকী, বনৰীয়া ম'হ, বনৰীয়া গাহৰি আৰু হৰিণৰ কেইবাটাও প্ৰজাতি পোৱা যায়।

oooooo

ৰাজ্য চৰকাৰে শিল্পী জুবিন গাৰ্গৰ আধৰুৱা কামসমূহ সম্পূৰ্ণ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি প্ৰকাশ কৰিছে। শিল্পীগৰাকীৰ ৰহস্যজনক মৃত্যুৰ ঘটনাত অভিযুক্ত ৫ জনক বাক্সা জিলাৰ নিকাছিত থকা কাৰাগাৰলৈ নিয়াৰ সময়ত সংঘটিত অপ্ৰীতিকৰ ঘটনাৰ বুজ লোৱাৰ বাবে কালি মুখ্যমন্ত্ৰীগৰাকীয়ে স্থানীয় গাঁওবাসীৰ সৈতে মত বিনিময় কৰে। ইয়াৰ পাছত মুখ্যমন্ত্ৰী ড০ শৰ্মাই সংবাদ মাধ্যমৰ আগত কয়, যে জুবিন গাৰ্গক এশ শতাংশ ন্যায় দিয়া হ'ব আৰু এয়া তেওঁৰ সংকল্প। শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়েও তদন্ত আৰম্ভ কৰিছে আৰু আৰক্ষীয়ে চলোৱা তদন্তৰ প্ৰতিবেদন অতি সোনকালে ন্যায় পালিকাই লাভ কৰিব বুলিও তেওঁ কয়। কেবিনেটে সিদ্ধান্ত গ্ৰহণ কৰাৰ পাছত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশক অতি সোনকালে এখন ফাষ্ট ট্ৰেক আদালত গঠন কৰিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনাইছে। মুখ্যমন্ত্ৰীয়ে যোৱা ১৫ অক্টোবৰত সংঘটিত ঘটনাক দুৰ্ভাগ্যজনক আখ্যা দিয়াৰ লগতে জুবিন গাৰ্গক ন্যায় প্ৰদান কৰাৰ ক্ষেত্ৰত চৰকাৰে অগ্ৰাধিকাৰ দিয়া বুলি কয়।

**ৰাইট (চি এম)**

উল্লেখযোগ্য যে বাক্সা জিলাৰ কুৰেৰী লক্ষ্মী মন্দিৰত আয়োজিত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি কালি মুখ্যমন্ত্ৰীগৰাকীয়ে যোৱা ১৫ অক্টোবৰত জিলা কাৰাগাৰৰ সন্মুখত সংঘটিত ঘটনাত আহত দুজন লোকৰ চিকিৎসাৰ বাবে ২ লাখ টকাকৈ চেক প্ৰদান কৰে। আহত দীপক মেধি আৰু বিদ্যুৎ কলিতাৰ চিকিৎসাৰ বাবে পৰিয়ালৰ লোক এই চেক প্ৰদান কৰাৰ লগতে প্ৰয়োজন সাপেক্ষে দুয়োজন ব্যক্তিৰ উন্নত চিকিৎসাৰ বাবে চৰকাৰে ব্যৱস্থা ল'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ১৫ অক্টোবৰৰ ঘটনাৰ পাছৰে পৰা গাঁওখনৰ বহু যুৱক ঘৰৰ পৰা আঁতৰি থকা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই যুৱকসকলক ঘৰলৈ ঘূৰি আহি আৰক্ষীক সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। কুৰেৰীত থকা লক্ষ্মী মন্দিৰ আৰু শিৱ মন্দিৰৰ বাবে ১০ লাখ টকাকৈ অনুদান আগবঢ়োৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে।

ইপিনে, জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্ত সঠিক দিশত আগবঢ়া নাই বুলি অভিযোগ কৰি অসম প্ৰদেশ কংগ্ৰেছে এই তদন্ত কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চি বি আইৰ দ্বাৰা কৰিব লাগে বুলি দাবী জনাইছে। কালি গুৱাহাটীৰ ৰাজীৱ ভৱনত দলটোৱে আয়োজন কৰা এখন সংবাদমেলত কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই এই দাবী জনোৱাৰ লগতে এছ আই টিৰ দ্বাৰা হোৱা তদন্তত এটা প্ৰভাৱশালী চক্ৰই বিধি পথালি দিয়াৰ সম্ভাৱনা আছে বুলি কয়।

০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে অহা বছৰৰ ফেব্ৰুবাৰী-মাৰ্চ মাহত হ'বলগা উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত অৱতীৰ্ণ হ'বলগা শিক্ষাৰ্থীসকলৰ বাবে আজি অনলাইন প্ৰ-পত্ৰ পূৰণৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ২০ নৱেম্বৰত এই অনলাইন প্ৰক্ৰিয়া অন্ত পৰিব। এইবাৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ বাবে অফলাইন প্ৰ-পত্ৰ পূৰণৰ ব্যৱস্থা নাথাকিব বুলি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে এটা নিৰ্দেশযোগে জানিবলৈ দিছে। নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সকলো ছাত্ৰ-ছাত্ৰীৰ প্ৰ-পত্ৰ পূৰণ প্ৰক্ৰিয়া নিশ্চিত কৰাৰ বাবে প্ৰতিখন শিক্ষানুষ্ঠানৰ মুৰব্বীক নিৰ্দেশ দিয়া হৈছে। ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষাৰ বাবে নিৰ্ধাৰিত মাচুল আদায় দিব লাগিব যদিও পিতৃ-মাতৃৰ বছৰেকীয়া উপাৰ্জন ২ লাখ টকা বা তাতোকৈ কম আয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ পৰীক্ষাৰ মাচুল চৰকাৰী নীতি অনুসৰি ৰেহাই দিয়া হ'ব।

০০০০০০

অসম চৰকাৰৰ শিক্ষা, ভৈয়াম, জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি বিজেপিৰ ধেমাজি জিলা সমিতিৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত এন ডি এ মিত্ৰ দলৰ এখন সাংগঠনিক সভাত অংশগ্ৰহণ কৰে। সভাত জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ ন্যায়ৰ বাবে অহা ২৪ অক্টোবৰত ধেমাজিত উলিয়াবলগীয়া  সমদল সন্দৰ্ভতো আলোচনা কৰা হয়। এই সভাত লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা, জোনাইৰ বিধায়ক ভূবন পেগু, সন্মিলিত গণশক্তিৰ সভাপতি পৰমানন্দ চায়েংগীয়া, বিজেপিৰ জিলা সমিতিৰ বিষয়ববীয়াই অংশগ্ৰহণ কৰে। মন্ত্ৰী ডাঃ পেগুৱে ধেমাজিৰ মাছখোৱা স্নাতক মহাবিদ্যালয়ৰ এটা জনজাতীয় ছাত্ৰীৰ বাবে নিৰ্মাণ হ'বলগীয়া এটা নিবাসৰো আধাৰশিলা স্থাপন কৰে।

০০০০০০

টীয়ক বিধানসভা সমষ্টিৰ অন্তৰ্গত মধ্য ছাওখাট গাঁও পঞ্চায়তত কালি কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই বৰখেলীয়া ৰংগমঞ্চৰ আধাৰশিলা স্থাপন কৰে। এই অনুষ্ঠানত মধ্য ছাওখাট গাঁও পঞ্চায়তৰ সভাপতি ৰাতুল বৰঠাকুৰ, টীয়ক মণ্ডল বিজেপিৰ সভানেত্ৰী মনমী তামুলীকে ধৰি ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কালি জিলাখনৰ ২৮ নম্বৰ বালিচাপৰি গাঁও পঞ্চায়তৰ শিল্পী বগাই ওজা আৰু দত্ত ওজাক সাক্ষাৎ কৰে। তেওঁ মেলেঙৰ বাসগৃহত দৌৰবিদ অন্নাল বৰগোঁহাইৰ পিতৃ বদন বৰগোঁহাইক সাক্ষাৎ কৰে।

০০০০০০

সমাপ্ত